# প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰী পৰিষদৰ শপত গ্ৰহণ অনুষ্ঠানত ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ আৰু ভাৰত মহাসাগৰীয় অঞ্চলৰ নেতাসকলৰ অংশগ্ৰহণ

09 জুন, 2024

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু মন্ত্ৰী পৰিষদৰ শপত গ্ৰহণ অনুষ্ঠান 9 জুন, 2024 তাৰিখে ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত হয়। ভাৰতৰ চুবুৰীয়া আৰু ভাৰত মহাসাগৰীয় অঞ্চলৰ নেতাসকলে সন্মানীয় অতিথি হিচাপে অনুষ্ঠানত অংশগ্ৰহণ কৰে।

2. অনুষ্ঠানত উপস্থিত থকা নেতাসকলৰ ভিতৰত আছিল  মালদ্বীপৰ ৰাষ্ট্ৰপতি শ্ৰী ৰণিল বিক্ৰমসিংহ; মালদ্বীপৰ মাননীয় ৰাষ্ট্ৰপতি মহোদয় ডাঃ মহম্মদ মুইজু; ছেইচেলছৰ উপ-ৰাষ্ট্ৰপতি, মহামহিম মিষ্টাৰ আহমেদ আফিফ; বাংলাদেশৰ প্ৰধানমন্ত্ৰী, মাননীয়া শ্বেইখ হাছিনা; মৰিচাছৰ প্ৰধানমন্ত্ৰী  মিষ্টাৰ প্ৰবিন্দ কুমাৰ যুগনাথৰ সৈতে তেওঁৰ পত্নী; নেপালৰ প্ৰধানমন্ত্ৰী মাননীয় শ্ৰীযুত পুষ্প কমল দাহাল  'প্ৰচণ্ড' আৰু ভূটানৰ প্ৰধানমন্ত্ৰী মাননীয় শ্ৰীযুত চেৰিং টোবগে। মালদ্বীপ, বাংলাদেশ, নেপাল আৰু ভূটানৰ নেতৃবৃন্দৰ সৈতে মন্ত্ৰীসকলো উপস্থিত আছিল।

3. শপত গ্ৰহণ অনুষ্ঠানৰ পিছত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰপতি ভৱনত উপস্থিত নেতাসকলৰ সৈতে বৈঠকত মিলিত হয়। একেৰাহে তৃতীয়টো ঐতিহাসিক কাৰ্যকালৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ বাবে নেতৃবৃন্দই তেওঁক অভিনন্দন জ্ঞাপন কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে তেওঁলোকক ধন্যবাদ জনাই প্ৰধানমন্ত্ৰীয়ে 'প্ৰতিবেশী প্ৰথম' নীতি আৰু 'সাগৰ দৃষ্টি'ৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতি পুনৰ দোহাৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে 2047 চনৰ ভিতৰত বিকশিত ভাৰত গঢ়ি তোলাৰ লক্ষ্যৰে ভাৰতে এই অঞ্চলৰ শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ বাবে কাম কৰি যাব। এই প্ৰসংগত তেওঁ অঞ্চলটোৰ জনসাধাৰণৰ মাজত গভীৰ সম্পৰ্ক আৰু সংযোগ স্থাপনৰ আহ্বান জনায়। তেওঁ লগতে কয় যে ভাৰতে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত গোলকীয় দক্ষিণৰ কণ্ঠক প্ৰসাৰিত কৰি থাকিব।

4. নেতাসকলে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ দ্বাৰা ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এখন ভোজত অংশগ্ৰহণ কৰে।। ৰাষ্ট্ৰপতিয়ে তেওঁলোকক আদৰণি জনাই প্ৰধানমন্ত্ৰী মোদীক ৰাষ্ট্ৰৰ সেৱাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে আৰু কয় যে ভাৰতৰ গণতান্ত্ৰিক প্ৰক্ৰিয়া কেৱল দেশৰ জনসাধাৰণৰ বাবে গৌৰৱৰ মুহূৰ্তেই নহয়, বৰঞ্চ সমগ্ৰ বিশ্বৰ লাখ লাখ লোকৰ বাবে প্ৰেৰণাৰ উৎস।

5.. প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰী পৰিষদৰ শপত গ্ৰহণ অনুষ্ঠানত ভাৰতৰ চুবুৰীয়া দেশ আৰু ভাৰত মহাসাগৰীয় অঞ্চলৰ নেতৃবৰ্গৰ অংশগ্ৰহণে এই অঞ্চলৰ সৈতে ভাৰতৰ গভীৰ বন্ধুত্ব আৰু সহযোগিতাৰ সম্পৰ্কক আলোকপাত কৰে।

**নতুন দিল্লী**

**09 জুন, 2024**